## আঞ্চলিক দল আৰু ইয়াৰ বিকাশৰ কাৰণ (Regional Parties and Reasons for thier Growth) ঃ

আঞ্চলিক দলৰ অস্তিত্ব ভাৰতীয় দলীয় ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ভাৰতত যিমান সংখ্যক আঞ্চলিক ৰাজনৈতিক দল আছে, সম্ভৱত পৃথিৱীৰ কোনো দেশতেই ইমান সংখ্যক আঞ্চলিক দল নাই। ভাৰতৰ দৰে জাতি, ধৰ্ম, ভাষা, বৰ্ণৰ বৈচিত্ৰতাৰে পৰিপূৰ্ণ এখন ৰাষ্ট্ৰত আঞ্চলিক দলৰ উপস্থিতি অস্বাভাৱিক নহয়। জাতীয় ৰাজনীতি আৰু সংস্কৃতিত স্থানীয় আশা-আকাংক্ষা প্ৰতিফলিত নোহোৱাৰ বাবেই আঞ্চলিক ৰাজনৈতিক দলৰ উদ্ভৱ হৈছে। পৰাধীন ভাৰতত আঞ্চলিকতাবাদে এতিয়াৰ দৰে সিমান গা-কৰি উঠা নাছিল। কিন্তু স্বাধীন ভাৰতৰ সকলো অঞ্চলৰ মানুহে সমমৰ্য্যদা, সমান সুবিধা নোপোৱাৰ বাবে অসন্তুষ্ট হৈ নিজ নিজ অঞ্চলত আঞ্চলিক দলৰ জন্ম দিয়ে।

আঞ্চলিক দল সমূহক দুটা ভাগত ভাগ কৰিব পাৰি। কিছুমান ৰাজনৈতিক দলৰ সৰ্বভাৰতীয় দৃষ্টিভংগী থকা সত্বেও গোটেই দেশতে জনসমৰ্থন নথকা বাবে আঞ্চলিক দল হিচাপে পৰিগণিত হৈছে। আন হাতে কিছুমান এনে দল আছে যিবিলাক আঞ্চলিক দল হিচাপেই গঠন হৈছে। আঞ্চলিক দল সমূহ সংখ্যাত স্থানীয় সমস্যা সমূহৰ প্ৰতিহে অধিক মনোযোগী হোৱা দেখা যায়। ভাৰতৰ কেইটামান প্ৰধান আঞ্চলিক দল হৈছে— অসম গণ পৰিষদ, ডিএমকে, টিডিপি, আকালী দল, শিৱসেনা আদি।

## আঞ্চলিক দলৰ বৈশিষ্ট্য (Characteristics of Regional Parties) ঃ

আঞ্চলিক দলৰ কিছুমান নিজস্ব বৈশিষ্ট্য দেখিবলৈ পোৱা যায়—

(১) আঞ্চলিক দলৰ কৰ্মৰ পৰিসৰ এক নিৰ্দ্দিষ্ট সীমাৰ মাজতে আৱদ্ধ থকা দেখা যায় আৰু তেওঁলোকৰ স্বাৰ্থ কিছুমান নিজস্ব অঞ্চলৰ মাজতে সীমাৱদ্ধ,

(২) আঞ্চলিক দলসমূহে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক পুনৰ গঠন কৰিবৰ বাবে দাবী জনায়,

(৩) আঞ্চলিক দল সমূহ ভাষা, ধৰ্ম, জাতি, গোষ্ঠী, আদিৰ ভিত্তিত গঠিত হয়,

(৪) আঞ্চলিক দলসমূহে কোনো এক বিশেষ অঞ্চলৰ নাইবা ৰাজ্যৰ স্থানীয় গোষ্ঠীগত, ভাষাগত; ধৰ্মীয় সমস্যা সমূহ সমাধানৰ বাবে চেষ্টা চলায় আৰু

(৫) উপআঞ্চলিক দলৰ গঠন আঞ্চলিক ৰাজনৈতিক দল সমূহৰ আন এটা প্ৰধান বৈশিষ্ট্য। উদাহৰণ স্বৰূপে অসমত এ.এছ.ডি.চি (ASDC), পিডিএফ (PDF), ইত্যাদি।

Scanned by CamScanner

**আঞ্চলিক দলৰ বিকাশৰ কাৰণ (Causes for the Growth of Regional Political Parties) ঃ**

৮০ ৰ দশকৰ পাছৰ পৰা ভাৰতবৰ্ষত বহুতো আঞ্চলিক দলৰ জন্ম হৈছে। আঞ্চলিক দলৰ বিকাশৰ মূল কাৰণ সমূহ তলত উল্লেখ কৰা ধৰণেৰে আলোচনা কৰিব পাৰি।

**(১) কেন্দ্ৰীকৃত শাসন ব্যৱস্থা (Excessive Centralisaion) ঃ** ভাৰতত আঞ্চলিক দলৰ উত্থানৰ ক্ষেত্ৰত ভাৰতৰ কেন্দ্ৰীকৃত শাসন ব্যৱস্থা বহু পৰিমাণে জগৰীয়া। ভাৰতীয় সংবিধানে ৰাজ্য চৰকাৰ সমূহতকৈ কেন্দ্ৰীয় চৰকাৰক অধিক ক্ষমতা প্ৰদান কৰি কেন্দ্ৰক অধিক ক্ষমতাশালী কৰি তুলিছে। ক্ষমতাৰ বিভাজন অসমান ভাৱে কৰা বাবে বহুক্ষেত্ৰত কেন্দ্ৰ চৰকাৰে ৰাজ্য চৰকাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। এনে ব্যৱস্থাই সীমা অতিক্ৰম কৰাৰ পাছত দেশৰ বিভিন্ন অঞ্চলৰ জনসাধাৰণৰ আস্থা আঞ্চলিক দল বিলাকৰ প্ৰতি হৈ আঞ্চলিক দলৰ জন্ম দিয়া দেখা যায়।

**(২) অৰ্থনৈতিক অনগ্ৰসৰতা (Economic Underdevelopment) ঃ** অৰ্থনৈতিক অনগ্ৰসৰতা আঞ্চলিক দলৰ বিকাশৰ এক প্ৰধান কাৰণ। কেন্দ্ৰৰ পৰা ৰাজ্যবিলাকৰ ভৌগলিক দূৰত্ব যিমানেই বৃদ্ধি পাই আহিছে; সিমানেই অৰ্থনৈতিক অনগ্ৰসৰতাও বৃদ্ধি পাই আহিছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ শিক্ষা, পৰিয়াল-পৰিকল্পনা, দৰিদ্ৰতা দূৰীকৰণ আদিত যথেষ্ট পিচপৰা। কেন্দ্ৰীভুত দলসমূহে এই সমস্যাসমূহ সমাধান কৰিবলৈ বিফল হোৱাত আঞ্চলিক দলৰ বিকাশ সুগম হৈ পৰে।

**(৩) কেন্দ্ৰীয় চৰকাৰৰ অৱহেলা (Negligence of the Central Government) ঃ** ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰৰ সকলোবোৰ অংগ ৰাজ্যৰ প্ৰতি সমানে সহনশীল নহয় কেন্দ্ৰী কিছুমান ৰাজ্যক বেছি গুৰুত্ব দিয়ে আৰু কিছুমানৰ প্ৰতি মাহীআইকৰ দৰে ব্যৱহাৰ কৰে। কেন্দ্ৰীয় চৰকাৰৰ এনে মাহী আইৰ ব্যৱহাৰে আঞ্চলিক দলৰ উত্থানত সহায় কৰি আহিছে

**(৪) ভৌগলিক বিভিন্নতা (Geographical Difference) ঃ** ভৌগলিক বিভিন্নতাৰ বাবেও আঞ্চলিক দলৰ জন্ম হয়। ভৌগলিক ভাৱে দূৰত অৱস্থিত কোনো অঞ্চলে তেওঁলোকৰ সমস্যা সমূহ ভালদৰে ৰাষ্ট্ৰীয় পৰ্য্যায়ত জনাব নোৱাৰে। ফলস্বৰূপে সেই অঞ্চলৰ জনসাধাৰণ বহু সা-সুবিধাৰ পৰা বঞ্চিত হৈ থাকিব লগা হয়। সেয়েহে এনে অঞ্চলৰ বাসিন্দা সকলে আঞ্চলিক দল গঠন কৰি সেই দলৰ যোগেদি তেওঁলোকৰ সমস্যাসমূহ ৰাষ্ট্ৰীয় পৰ্য্যায়ত দৃষ্টি আকৰ্ষন কৰিবলৈ চেষ্টা কৰে।

**(৫) ধৰ্মীয়, ভাষিক কাৰণ (Religious, Language Reason) ঃ** ভাৰতবৰ্ষত কেতিয়াবা কেতিয়াবা ধৰ্মীয় আৰু ভাষাৰ ভিত্তিটো আঞ্চলিক দল গঠন হয়। ধৰ্মৰ ভিত্তিত গঠিত হোৱা আঞ্চলিক দল হ'ল পাঞ্জাবৰ আকালি দল আৰু ভাষাৰ ভিত্তিত গঠিত হোৱা আঞ্চলিক দল হ'ল তামিলনাদুৰ ডিএমকে দল, ইত্যাদি।

Scanned by CamScanner